**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 5-04-2026 **Time :** 0755 Hrs.

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ দুদিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰে ব্যাপক ৰূপ লৈছে। আজি কংগ্ৰেছ দলৰ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী প্ৰচাৰৰ বাবে অসমলৈ আহিব। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম গোৱালপাৰা, দুধনৈ, পলাশবাৰী আৰু বকো-ছয়গাঁৱত প্ৰচাৰ চলাব।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কালি কাছাৰ জিলাৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কৌশিক ৰায়ৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়। লাবক খেলপথাৰত আয়োজিত এই জনসভাত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াইও অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে আজি শ্ৰীভূমিৰ ৰামকৃষ্ণ নগৰতো দলটোৰ হৈ প্ৰচাৰ চলায়।

০০০০০০০

আসন্ন নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহে ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। কাৰ্বি আংলং জিলাৰ ডিফুত কালি নিৰ্বাচনৰ বিশেষ পৰ্যবেক্ষক মনজিৎ সিং আৰু ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে জিলাখনৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যালোচনা কৰে। পৰ্যালোচনা বৈঠকত ভোটগ্ৰহণত নিয়োজিত কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ, পৰিবহন ব্যৱস্থা, আইন শৃংখলা, আহাৰ ব্যৱস্থাপনা আৰু অন্যান্য দিশসমূহৰ বুজ লোৱা হয়।

যোৰহাট জিলাতো কালি আয়ুক্ত জয় শিৱানীয়ে স্থানীয় কাছাৰীমৈদাম পৰিদৰ্শন কৰি নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। তেওঁ নিৰ্বাচনৰ কাম-কাজৰ ক্ষেত্ৰত যান-বাহনৰ সু-ব্যৱস্থাৰ বাবে পৰিবহণ কোষৰ কাম-কাজ পৰ্যালোচনা কৰে। জিলা আয়ুক্তগৰাকীয়ে ৰিটাৰ্ণিং বিষয়া, চক্ৰ বিষয়া আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত শ্ৰীভূমি জিলাত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰিবলৈ কালি জিলা আৰক্ষীৰ উদ্যোগত ৰোড মাৰ্শ্ব অনুষ্ঠিত হয়। নিৰ্বাচনৰ পূৰ্বে আইন শৃংখলা পৰিস্থিতি স্বাভাৱিক কৰি ৰখা আৰু ভোটদাতাৰ মাজত নিৰাপত্তাৰ বাৰ্তা প্ৰেৰণ কৰাই এই ৰোড মাৰ্শ্বৰ মূল উদ্দেশ্য। জিলাখনৰ টোলগে'ট এলেকাৰ পৰা আৰম্ভ হোৱা এই ৰোড মাৰ্শ্ব চহৰৰ বিভিন্ন গুৰুত্বপূৰ্ণ পথ আৰু জনবহুল অঞ্চলৰ মাজেৰে পাৰ হৈ জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ চৌহদত সামৰণি পৰে। ৰোড মাৰ্শ্বৰ সময়ছোৱাত চহৰখনৰ পথ, বজাৰ অঞ্চল আৰু স্পৰ্শকাতৰ ঠাইসমূহত আৰক্ষী উপস্থিত থাকে। জিলা শীৰ্ষ আৰক্ষীৰ বিষয়াসকলৰ লগতে এই ৰোড মাৰ্শ্বত সশস্ত্ৰ বাহিনী আৰু নিৰাপত্তা কৰ্মীসকলেও অংশগ্ৰহণ কৰে।

০০০০০০০

ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ ৰক্তদান কক্ষত কালি হিমফলিয়া ডায়গনেষ্টিক লেব'ৰটৰী আৰু এটা ফিজিঅ'থেৰাপী কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডা০ সঞ্জীৱ

কাকতিয়ে এই দুয়োটা কক্ষ মুকলি কৰে। এন এন এইচ এফৰ তত্বাৱধানত মুকলি হোৱা এই কেন্দ্ৰৰ জৰিয়তে ৰোগীসকল যথেষ্ট উপকৃত হ'ব বুলি অধ্যক্ষ ডা০ সঞ্জীৱ কাকতিয়ে উদ্বোধনী ভাষণত উল্লেখ কৰে।

**বাইট (ডা০ সঞ্জীৱ কাকতি)**

অনুষ্ঠানটোত চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু বহুকেইগৰাকী গন্য-মান্য ব্যক্তি উপস্থিত থাকে।

০০০০০০০

মেন অব গল্ডেন বুট নামেৰে পৰিচিত প্ৰসিদ্ধ ফুটবল খেলুৱৈ  গিলবাৰ্টচন চাংমাৰ শেষকৃত্য আজি গুৱাহাটীৰ মালিগাঁৱৰ আদিংগিৰি পাহাৰত সম্পন্ন কৰা হ'ব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কিম্বদন্তি ফুটবলাৰগৰাকীৰ কালি পুৱা গুৱাহাটীৰ কাহিলীপাৰাৰ নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭০ বছৰ। অসম পুলিচ ফুটবল দলক ১৯৭২ৰ পৰা ১৯৮২ চনলৈ অধিনায়ক হিচাপে নেতৃত্ব দিয়া গিলবাৰ্ট চাংমাই এই সময়ছোৱাত মুঠ ৭ বাৰ সন্তোষ ট্ৰফী ছিনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযাগিতাত অসমক প্ৰতিনিধিত্ব কৰিছিল। তেওঁ লগতে অসম পুলিচৰ হৈ বৰদলৈ ট্ৰফী, এ টি পি এ শ্বিল্ড, কেপ্তেইন এন এম গুপ্তা ট্ৰফীৰ খিতাপ জয় কৰাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। গিলবাৰ্টচন চাংমাই ১৯৭৫ চনত ইণ্ডোনেচিয়া আৰু মালয়েচিয়াত প্ৰদৰ্শনীমূলক খেলত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। ফুটবলৰ মাজেৰে অসম আৰক্ষীক উচ্চ স্থানলৈ নিয়া চাংমা এসময়ত মেন অব গল্ডেন বুট নামেৰে পৰিচিত হয়। ১৯৮৫ চনত তেওঁ যোৰহাটত নাগালেণ্ড আৰক্ষীৰ বিৰুদ্ধে জীৱনৰ অন্তিমখন খেলত অংশ লৈছিল। অসম আৰক্ষীৰ পৰা দ্বিতীয় অধিনায়ক হিচাপে অৱসৰ গ্ৰহণ কৰা চাংমাক  ২০২২ চনত ৰাজ্য চৰকাৰে অসম সৌৰভ বটাঁ প্ৰদান কৰে। তেওঁ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জল কুমাৰ ভট্টাচাৰ্যকে ধৰি বহুজনে শোক প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**